# আবিষ্কাৰৰ কাহিনী

## পাঠ: 13

## ক্ৰিয়া-কলাপ

**প্ৰশ্ন ১। শব্দবোৰৰ অৰ্থ শব্দ সম্ভাৰ বা অভিধান চাই নিজৰ বহীত লিখা।**

পৰিবহন, অধ্যৱসায়, অসাধ্য, অহৰহ, প্ৰায়োগিক, নেৰানেপেৰা, যুগান্তকাৰী, নিয়ন্ত্ৰণ, সুচল, গুৰুত্ব, অতুলনীয়, অদম্য, দৃষ্টিগোচৰ, দৃঢ়তা, সান্নিধ্য, কৰ্মস্পৃহা, উপলব্ধি, প্ৰশিক্ষণ, গৱেষণা, ঘাত-প্ৰতিঘাত

**উত্তৰঃ**

| **শব্দ** | | **অৰ্থ** |
|---|---|---|
| পৰিবহন | – | বস্তু বা যাত্ৰী স্থানান্তৰিত কৰাৰ যান্ত্ৰিক উপায়। |
| অধ্যৱসায় | – | নিৰন্তৰ চেষ্টা। |
| অসাধ্য | – | শক্তি সামৰ্থ্যৰে কৰিব নোৱাৰে। |
| অহৰহ | – | অনবৰতে। |
| প্ৰায়োগিক | – | ব্যৱহাৰিক। |
| নেৰানেপেৰা | – | একেৰাহে কৰা বা হোৱা। |
| যুগান্তকাৰী | – | কোনো যুগ অন্ত পেলোৱা। |
| নিয়ন্ত্ৰণ | – | নিয়মেৰে বান্ধি কৰা কাৰ্য। |
| সুচল | – | সহজে যাব বা কৰিব পৰা। |
| গুৰুত্ব | – | শ্ৰেষ্ঠতা। |

অতুলনীয় – যাৰ তুলনা নাই ।

অদম্য – যাক দমন কৰিব নোৱাৰি ।

দৃষ্টিগোচৰ – চকুত পৰা; দেখা ।

দৃঢ়তা – অবিচলিত হোৱা ভাব বা অৱস্থা ।

সান্নিধ্য – সংগ; সামীপ্য ।

কৰ্মস্পৃহা – কাম কৰাৰ প্ৰৱল ইচ্ছা ।

উপলব্ধি – অন্তৰত হোৱা বোধ; অনুভৱ ।

প্ৰশিক্ষণ – ব্যৱহাৰিক শিক্ষা ।

গৱেষণা – অন্বেষণমূলক অধ্যয়ন ।

ঘাত-প্ৰতিঘাত – বাধা বিঘিনি; সংঘাত।

**প্ৰশ্ন ২। উত্তৰ লিখা ।**

(ক) গুৰুপ্ৰসাদ দাসে উদ্ভাৱন কৰা যন্ত্ৰটোৰ নাম লিখা ।

**উত্তৰঃ** ‘ভেকুৱাম ব্ৰে’ক,।

(খ) গুৰুপ্ৰসাদ দাসে কলকাতাত কাৰ মটৰ গেৰেজত কাম কৰিছিল ?

**উত্তৰঃ** ভোলানাথ বৰুৱাৰ ।

(গ) গুৰুপ্ৰসাদ দাসৰ কৰ্মনিষ্ঠা আৰু ধৈৰ্যশক্তি কাৰ চকুত পৰিছিল ?

**উত্তৰঃ** এজন ব্ৰিটিছ চাহাবৰ ।

(ঘ) ব্ৰিটিছ চাহাবে গুৰুপ্ৰসাদ দাসক কোন কোম্পানীত নিযুক্তি দিছিল ?

**উত্তৰঃ** ‘ব্ৰাৰ্ণ এণ্ড কোম্পানী’ত ।

(ঙ) গুৰুপ্ৰসাদ দাসে লণ্ডনৰ কোন প্ৰতিষ্ঠানত প্ৰশিক্ষণ লৈছিল ?

**উত্তৰঃ** ‘ইনষ্টিটিউট্’ অব্ মেকানিকেল ইঞ্জিনিয়াৰিঙ’ত ।

(চ) লণ্ডনত প্ৰশিক্ষণ লৈ থকা সময়ত গুৰুপ্ৰসাদ দাসে কাৰ পৰা বৃত্তি লাভ কৰিছিল ?

**উত্তৰঃ** অসম প্ৰশাসনৰ পৰা ।

(ছ) আই আৰ এছৰ পদমৰ্যাদা লাভ কৰা প্ৰথম ভাৰতীয়জন কোন ?

**উত্তৰঃ** গুৰুপ্ৰসাদ দাস ।

(জ) গুৰুপ্ৰসাদ দাসে উদ্ভাৱন কৰা ভেকুৱাম ব্ৰে’কক কোম্পানীয়ে কি বুলি নামকৰণ কৰিছিল ?

**উত্তৰঃ** ‘জি পি ব্ৰে’ক’ ।

**প্ৰশ্ন ৩। চমুকৈ লিখা ।**

(ক) গুৰুপ্ৰসাদ দাস লণ্ডনলৈ কিয় গৈছিল ?

**উত্তৰঃ** কলকাতাৰ ‘ব্ৰাৰ্ণ এণ্ড কোম্পানী’ত চাকৰি কৰি থাকোঁতে গুৰুপ্ৰসাদ দাস লণ্ডনৰ ৰে’লৰ কাৰিকৰী প্ৰতিষ্ঠান ‘ইনষ্টিটিউট্’ অব্ মেকানিকেল ইঞ্জিনিয়াৰিঙ’ত উচ্চস্তৰীয় প্ৰশিক্ষণ পাবলৈ নিৰ্বাচিত হয়। সেই সূত্ৰে তেখেত লণ্ডনলৈ গৈছিল ।

(খ) তেখেতক অসমৰ সু-সন্তান বুলি কিয় কোৱা হৈছে ? গুৰুপ্ৰসাদ দাস কেনেকুৱা ব্যক্তিত্বৰ অধিকাৰী আছিল ?

**উত্তৰঃ** বিশ্বৰ কাৰিকৰী বিজ্ঞানত গুৰুপ্ৰসাদ দাসে অতুলনীয় অৱদান আগবঢ়াই থৈ গৈছে । ‘ভেকুৱাম ব্ৰে’ক’ আৰু ‘ছিমলেছ কাইল’ৰ উদ্ভাৱনৰ জৰিয়তে তেখেতে ৰে’ল যাতায়াতত যুগান্তকাৰী পৰিৱৰ্তন সাধন কৰিছিল আৰু ইয়াৰ জৰিয়তে অসমৰ নামো বিশ্বৰ দৰবাৰত উজ্বলাইছিল । সেইবাবে তেখেতক অসমৰ সু-সন্তান বুলি কোৱা হয়।

গুৰুপ্ৰসাদ দাসৰ মানসিক দৃঢ়তা, কৰ্মনিষ্ঠা আৰু ধৈৰ্যশক্তি অতুলনীয় আছিল । লগতে তেখেতৰ বুদ্ধিমত্তা আৰু উদ্ভাৱনী শক্তিও প্ৰশংসনীয় ।

**প্ৰশ্ন ৪। ভাব বহলাই লিখা।**

(ক) অভাৱেই আৱিষ্কাৰৰ মূল ।

**উত্তৰঃ** মানুহে যেতিয়া কোনো বিষয়ত অভাৱ অনুভৱ কৰে, তেতিয়া সেই অভাৱ দূৰীকৰণৰ বাবে চিন্তা-চৰ্চা কৰিবলৈ আৰম্ভ কৰে । বিজ্ঞানীসকলৰ ক্ষেত্ৰত এনে চিন্তা-চৰ্চাই তেখেতসকলক ন ন আৱিষ্কাৰ আৰু উদ্ভাৱনৰ ক্ষেত্ৰত অনুপ্ৰেৰণা যোগায় । বিজ্ঞানৰ লগত জড়িত ব্যক্তিসকলে সদায় পূৰ্বতে আবিষ্কৃত বস্তু বা বিষয়ৰ ওপৰত উন্নীতকৰণৰ চিন্তা কৰিবলৈ আৰম্ভ কৰে । তেতিয়াই পুনৰ ন ন আবিষ্কাৰ বা উদ্ভাৱন সংযোজিত হয় । শিল্প-বিপ্লৱৰ পাছত ইংলেণ্ডত অধিক পৰিমাণে দ্ৰব্য উৎপাদিত হৈছিল । কিন্তু কাপোৰ আদি সামগ্ৰীসমূহ বিক্ৰী কৰিবলৈ বজাৰ নাছিল । তেতিয়া ইংৰাজসকলে ভাৰত, দক্ষিণ আফ্ৰিকাকে ধৰি পৃথিৱীৰ বিভিন্ন অঞ্চল আৱিষ্কাৰৰ উদ্দেশ্য ঢাপলি মেলিছিল । আকৌ, ব্যৱসায়িক কাৰণতে তেওঁলোকে যাতায়াত ব্যৱস্থাৰ অভাৱ অনুভৱ কৰিছিল । সেয়েহে যাতায়াতৰ উন্নীতকৰণৰ বাবে তেওঁলোকে ন ন যন্ত্ৰ-পাতি আৱিষ্কাৰ কৰিছিল । এনেদৰে অভাৱেই আৱিষ্কাৰৰ মূল কাৰণ ।

(খ) একান্ত অধ্যৱসায় আৰু পৰিশ্ৰমেই উন্নতিৰ মূলমন্ত্ৰ ।

**উত্তৰঃ** অধ্যৱসায় অৰ্থাৎ নিৰন্তৰ চেষ্টা আৰু পৰিশ্ৰম নকৰাকৈ কোনেও নিজৰ আৰু সমাজৰ উন্নতি সাধন কৰিব নোৱাৰে । চেষ্টা আৰু পৰিশ্ৰম নকৰিলে সৌভাগ্যই নিজে আহি ধৰা নিদিয়ে । সফল ব্যক্তিসকলৰ জীৱনী পঢ়িলেই এই কথাৰ সত্যতা অনুভৱ কৰিব পাৰি । ৰবাৰ্ট ব্ৰুছে পলায়িত অৱস্থাত এটা মকৰাই বাৰম্বাৰ চেষ্টা কৰি জাল সজোৱা দেখা পাই নিৰন্তৰ চেষ্টা আৰু অশেষ পৰিশ্ৰম কৰি হেৰোৱা সাম্ৰাজ্য ঘূৰাই আনিব পাৰিছিল । গুৰুপ্ৰসাদ দাসে মেকানিকৰ যোগালি হিচাপে কামত যোগদান কৰি অধ্যৱসায় আৰু নিৰন্তৰ চেষ্টাৰ ফলত ৰে'ল যাতায়াতৰ ক্ষেত্ৰত নতুন যুগৰ সূচনা কৰিছিল ।

**প্ৰশ্ন ৫। এটা শব্দত প্ৰকাশ কৰা ।**

(ক) যিজনে কোনো বস্তু বা তথ্য আৱিষ্কাৰ কৰে ।

**উত্তৰঃ** আবিষ্কাৰ্তা ।

(খ) গোটেই জীৱন জুৰি ।

**উত্তৰঃ** আজীৱন ।

(গ) যিয়ে গুণীৰ গুণ বুজিব পাৰে।

**উত্তৰঃ** গুণগ্ৰাহী ।

(ঘ) পুৱাই স্মৰণ কৰাৰ যোগ্য ।

**উত্তৰঃ** প্ৰাতঃস্মৰণীয় ।

**প্ৰশ্ন ৬। তলৰ শব্দবোৰৰ পৰা শুদ্ধ বানানবোৰ বাছি উলিয়াই লিখা ।**

আকৰ্ষন, বৰ্জণ, প্ৰতিষ্ঠিত, অনুষ্ঠান, পৰিৱহন, আদৰণি, গ্ৰহণ, পুৰস্কাৰ, পূৰন, আবিস্কাৰ, কলিতাণী, কমাৰণী, অধিস্থান, পৰিহাষ, গৱেষণা, উত্তীৰ্ণ, অৰ্জন, প্ৰশিক্ষণ ।

**উত্তৰঃ** প্ৰতিষ্ঠিত, অনুষ্ঠান, পৰিৱহন, আদৰণি, পুৰস্কাৰ, অধিস্থান, গৱেষণা, উত্তীৰ্ণ, অৰ্জন, প্ৰশিক্ষণ ।

**প্ৰশ্ন ৭। বৰ্ণজালখনৰ পৰা বৰ্ণ আনি বিজ্ঞানীৰ নাম লিখা ।**

উদাহৰণ : আৰ্কিমিডিচ

**উত্তৰঃ** বৰ্ণজালখন আঁকি লোৱা আৰু তলত দিয়া বিজ্ঞানীসকলৰ নামৰ অক্ষৰত () চিন দিয়া । )

১। আইনষ্টাইন

২। গেলেলিও

৩। ৰামানুজন

৪। নিউটন

৫। গুৰুপ্ৰসাদ

৬। কেলভিন ইত্যাদি ।

**প্ৰশ্ন ৮। দফাটো পঢ়া আৰু কাষৰ বাকচৰ পৰা নাম এটা লৈ দফাটোৰ নামকৰণ কৰা । লগতে তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ দিয়া ।**

স্কটলেণ্ডৰ জেমছ্ ৱাটে ১৭৬৯ চনত উন্নত মানৰ ভাপ ইঞ্জিন আৱিষ্কাৰ কৰি স্থল পৰিবহণৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন সাধন কৰে । আকৌ ১৮০৩ চনত ইংলেণ্ডৰ অভিযন্তা ৰিছাৰ্ড ট্ৰেভিথিকে আগতকৈ উন্নত মানৰ ভাপ ইঞ্জিন তৈয়াৰ কৰি উলিয়ায় । পৰৱৰ্তী স্তৰত কয়লাৰ খনিত কাম কৰা জৰ্জ ষ্টিফেনছনে উন্নত এটি ইঞ্জিন তৈয়াৰ কৰি যাত্ৰীবাহী ৰে'ল-গাড়ীৰ চলাচলত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায় । তাৰ পাছত ৰে'ল-গাড়ীৰ চলাচল সুচল আৰু নিৰাপদ কৰিবলৈ গুৰুপ্ৰসাদ দাসে 'ভেকুৱাম ব্ৰে'ক' উদ্ভাৱন কৰে ।

(ক) জেমছ্ ৱাটে কি আৱিষ্কাৰ কৰে ?

**উত্তৰঃ** ৰে'লৰ ক্ৰমবিকাশ জেমছ্ ৱাটে উন্নত মানৰ ভাপ ইঞ্জিন আৱিষ্কাৰ কৰিছিল ।

(খ) ৰিছাৰ্ড ট্ৰেভিথিকে কোন চনত আগতকৈ উন্নতমানৰ ইঞ্জিন তৈয়াৰ কৰে ?

**উত্তৰঃ** ৰিছাৰ্ড ট্ৰেভিথিকে ১৮০৩ চনত আগতকৈ উন্নত মানৰ ইঞ্জিন তৈয়াৰ কৰে ।

**প্ৰশ্ন ৯। অধ্যৱসায়ৰ জৰিয়তে বিজ্ঞানী গুৰুপ্ৰসাদ দাসে জীৱনত কেনেকৈ সফলতা লাভ কৰিলে, দলত আলোচনা কৰা আৰু বহলাই লিখা ।**


**উত্তৰঃ** অষ্টম শ্ৰেণীত পঢ়ি থাকোঁতেই গুৰুপ্ৰসাদ দাসে কলকাতাৰ ভোলানাথ বৰুৱাৰ মটৰ গেৰেজত মেকানিকৰ যোগালি হিচাপে কৰ্মজীৱনৰ পাতনি মেলিছিল । তাতেই পঢ়া-শুনা কৰি তেখেতে প্ৰৱেশিকা পৰীক্ষাতো উত্তীৰ্ণ হয় । তেখেতৰ অধ্যৱসায় আছিল অতুলনীয়। 'যি মূলা বাঢ়ে তাৰ দুপাততে চিন'– এই কথাষাৰ তেখেতৰ ক্ষেত্ৰত অতিশয় প্ৰয়োজ্য । এগৰাকী ব্ৰিটিছ চাহাবৰ চকুত ভৱিষ্যতৰ বিজ্ঞানীগৰাকীৰ নিষ্ঠা আৰু ধৈৰ্য চকুত পৰে আৰু তেখেতক 'ৱাৰ্ণ এণ্ড কোম্পানী'ত নিযুক্তি দিয়ে । তাৰ পাছত গুৰুপ্ৰসাদ দাসে কেতিয়াও উভতি চাব লগা হোৱা নাই । তেখেতে ১৯২৫ চনৰ শেষৰ ফালে লণ্ডনৰ ৰে'লৰ কাৰিকৰী প্ৰতিষ্ঠান 'ইনষ্টিটিউট অব্ মেকানিকেল ইঞ্জিনিয়াৰিঙ'ত উচ্চস্তৰীয় প্ৰশিক্ষণ লাভৰ বাবে নিৰ্বাচিত হয় । তেখেতৰ অতুলনীয় অধ্যৱসায়ৰ ফলশ্ৰুতিত ১৯২৬ চনৰ পৰা ১৯৩০ চনলৈ কৰা অবিৰত গৱেষণাৰ সাধন কৰি 'ছিমলেছ্ কইল ব্ৰে'ক' উদ্ভাৱন কৰে । বিজ্ঞানী গুৰুপ্ৰসাদ দাসে 'কাট্ অব কন্ট্ৰ'ল গেজ' আৰু 'বয়লাৰ' আৰু 'ছেফটি ভালভ' আৱিষ্কাৰ কৰে । সফলতাৰ পুৰস্কাৰ স্বৰূপে তেখেতে 'ভাৰতীয় ৰে'ল সেৱা'ৰ প্ৰথম বিষয়া আৰু কৰ্নেলৰ পদ মৰ্যাদা লাভ কৰে ।

**প্ৰশ্ন ১০। আৱিষ্কাৰ আৰু উদ্ভাৱনৰ মাজত পাৰ্থক্য কি ? শিক্ষকৰ সহায়ত জানি লোৱা আৰু নিজৰ বহীত লিখা ।**

**উত্তৰঃ** আবিষ্কাৰ — বিশ্বত পূৰ্বৰে পৰা থকা, কিন্তু কোনেও নজনা কথা, তথ্য আদিৰ ৰহস্য ভেদ কৰা কাৰ্যকে আৱিষ্কাৰ বোলে; যেনে– নতুন গ্ৰহাণু এটাৰ আৱিষ্কাৰ, কলম্বাছৰ আমেৰিকা আৱিষ্কাৰ, পানী অম্লজান আৰু জলজানৰ যৌগ বুলি আৱিষ্কাৰ ইত্যাদি ।

উদ্ভাৱন — পূৰ্বতে নথকা কোনো বস্তু সূত্ৰ, বস্তু তথ্য, আহিলা আদিৰ মৌলিক সৃষ্টিকে উদ্ভাৱন বোলা হয় । উল্লেখযোগ্য যে উদ্ভাৱন কৰা বস্তু, কথা, যন্ত্ৰ আদি আনে কৰা কামৰ লগত একে নহয় । যেনে– টমাছ আলভা এডিচনৰ বিজুলী-বাতিৰ উদ্ভাৱন ।

**প্ৰশ্ন ১১। তলত চতুৰ্ভুজটোত উদ্ভাৱক আৰু উদ্ভাৱন কৰা বস্তুৰ নাম দিয়া আছে। কোনে কি উদ্ভাৱন কৰিছিল মিলাই লিখা ।**



**উত্তৰঃ** ১। টমাছ আলফা এডিচন- বিজুলী বাতি ।

২। গুৰুপ্ৰসাদ দাস — ভেকুৱাম ব্ৰে’ক ।


৩। জন লেগি বেয়াৰ্ড — দূৰদৰ্শন ।

৪। জেমছ ৱাট — ভাপ ইঞ্জিন ।

**প্ৰশ্ন ১২। 'বিজ্ঞানী আৰু আৱিষ্কাৰ' বিষয়ক এটি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা। প্ৰয়োজন হ'লে শিক্ষকৰ সহায় ল'বা।**

**উত্তৰঃ** (ছাত্ৰ-ছাত্ৰী নিজে কৰা)।

**প্ৰশ্ন ১৩। দলত ভাগ হৈ লোৱা। প্ৰতিটো দলে ৰে'ল গাড়ীৰ লগত সম্বন্ধ থকা শব্দৰে খালী ঘৰবোৰ সম্পূৰ্ণ কৰা আৰু আন দলৰ শব্দ কাৰ্ডৰ লগত তুলনা কৰা।**




**উত্তৰঃ**

